**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-01-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বেটি বচাও বেটি পঢ়াও অভিযান ৰূপান্তৰকামী তথা জনসাধাৰণ পৰিচালিত আন্দোলনত পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰকাশ কৰিছে।

২। ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে।

৩। কৰ্ণাটক আৰু মহাৰাষ্ট্ৰৰ দুটা পথ দুঘৰ্টনাত ১৩জন লোকে প্ৰাণ হেৰুৱাইছে।

৪। পানীয় প্ৰস্তুতকাৰী কোম্পানী AB InBev এ ভাৰতৰ বিভিন্ন প্ৰান্তত পৰৱৰ্তী ২-৩ বছৰৰ ভিতৰত ২৫ কোটি ডলাৰ বিনিয়োগৰ কথা ঘোষণা কৰিছে।

*আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত হ'ব।

০০০০০০০০

বেটি বচাও বেটি পঢ়াও অভিযান ৰূপান্তৰকামী তথা জনসাধাৰণ পৰিচালিত আন্দোলনত পৰিগণিত হৈছে আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকে এই অভিযানত ভাগ লৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। বেটি বচাও বেটি পঢ়াও অভিযানৰ ১০ বছৰ সম্পূৰ্ণ হোৱা সন্দৰ্ভত ছ'চিয়েল মিডিয়াযোগে মত প্ৰকাশ কৰি শ্ৰী মোদীয়ে আজি কয় যে এই আন্দোলনে লিংগ বৈষম্য দূৰ কৰাত সহায় কৰিছে আৰু কন্যা শিশুৰ বাবে শিক্ষা আৰু সপোন বাস্তবায়িত কৰাৰ সুযোগ নিশ্চিত কৰাৰ উদ্দেশ্যে সঠিক বাতাৱৰণ সৃষ্টি কৰিছে। তেওঁ লগতে কয় যে এই অভিযানৰ ৰূপায়ণৰ পাছৰে পৰা ঐতিহাসিকভাৱে নিম্ন শিশু-লিংগ অনুপাত থকা জিলাসমূহত যথেষ্ট উন্নতি হৈছে। সজাগতা অভিযানে লিংগ সমতাৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰিবলৈ সমৰ্থ হৈছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ এই ক্ষেত্ৰত লাভ কৰা উল্লেখনীয় সাফল্যৰ বাবে জনসাধাৰণ আৰু সমাজ সেৱা সংস্থাসমূহৰ নিষ্ঠাপূৰ্ণ প্ৰচেষ্টাৰ শলাগ লয়। এই আন্দোলনক তৃণমূল পৰ্যায়ত সক্ৰিয় কৰি তোলা সকলোপক্ষকে তেওঁ ভূয়সী প্ৰসংশা কৰে।

শ্ৰী মোদীয়ে কন্যা শিশুসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিবলৈ, তেওঁলোকৰ শিক্ষা নিশ্চিত কৰিবলৈ আৰু কন্যা শিশুসকলে কোনোধৰণৰ ভেদ-ভাৱ অবিহনে প্ৰগতি কৰিব পৰা এখন সমাজ গঢ়ি তুলিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত দলৰ প্ৰচাৰৰ অংশ হিচাপে আজি নমো এপৰ জৰিয়তে বুথ পৰ্যায়ৰ কৰ্মীসকলৰ সৈতে মত-বিনিময় কৰিছে। মেৰা বুথ চবচে মজবুত শ্লোগানেৰে কিছু সময়ৰ পূৰ্বে মত-বিনিময় অনুষ্ঠান আৰম্ভ হয়। প্ৰধানমন্ত্ৰীয়ে অনুষ্ঠানত অংশ লৈ দলৰ কাৰ্যকৰ্তাসকলে নিৰলসভাৱে আৰু নিষ্ঠাৰে কৰা শ্ৰম আৰু ত্যাগৰ ফলত বিজেপিয়ে দিল্লীত ক্ষমতা দখল কৰিবলৈ সমৰ্থক হ'ব বুলি দৃঢ়তাৰে প্ৰকাশ কৰে। তেওঁ এই কাৰ্যকৰ্তাসকলৰ সৈতে মত বিনিময় কৰি সুখী বুলিও মন্তব্য কৰে। এই মত বিনিময়ৰ কালত দলৰ কাৰ্যকৰ্তাসকলে দিল্লীৰ উন্নয়নৰ বাবে প্ৰয়োজনীয় বিভিন্ন বিষয়ত আলোকপাত কৰে। উল্লেখযোগ্য যে, ৫ ফেব্ৰুৱাৰীত দিল্লী বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। মেৰা বুথ চবচে মজবুত কাৰ্যসূচীৰ অধীনত দিল্লীৰ ২৫৬টা ৱাৰ্ডৰ মুঠ ১৩ হাজাৰ ৩৩টা বুথৰ পৰা দলীয় কৰ্মীসকলে ভাৰ্চুৱেল মাধ্যমেৰে প্ৰধানমন্ত্ৰীৰ বাৰ্তা শুনিছে। কিছুসংখ্যক দলীয় কৰ্মীয়েপ্ৰধানমন্ত্ৰীগৰাকীৰে বাৰ্তালাপ কৰাৰো সুযোগ লাভ কৰিছে।

00000000

৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধী আৰু আম আদমী পাৰ্টিৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালে আজি দিল্লীৰ বিভিন্ন অংশত দলৰ হকে প্ৰচাৰ চলাব। ৰাহুল গান্ধীয়ে আজি বিয়লি সদৰ বজাৰ বিধানসভা সমষ্টিত ইন্দৰলোক এলেকাত এখন জনসভাত ভাষণ দিব। ইপিনে, আম আদমী পাৰ্টিৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালে দিল্লী মহানগৰীৰ তিনিটা স্থানত জনসভাত ভাষণ দিব। আম আদমী পাৰ্টিৰ আন এগৰাকী নেতা তথা পাঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত সিং মানে দলৰ হৈ ৰ'ড শ্ব'ত ভাগ ল'ব।

00000000

কৰ্ণাটকৰ উত্তৰ কন্নড় জিলাৰ য়েল্লাপুৰৰ আৰাবেইল ঘাটৰ সমীপত আজি এখন ট্ৰাক পথৰ কাষৰ দ খাৰৈত বাগৰি পৰাৰ ফলত কমেও দহজন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য ১৬ জন আহত হয়। হাভেৰী জিলাৰ চাভানুৰৰ পৰা কুমটাৰ সাপ্তাহিক পাচলি বজাৰলৈ সামগ্ৰী পৰিবহন কৰি থকা অৱস্থাত এই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত ৯ জন লোকৰ থিতাতে মৃত্যু হয় আৰু এজনে চিকিৎসালয়ত মৃত্যু বৰণ কৰে। মৃত লোক কেইজন চাভানুৰৰ বাসিন্দা আছিল। আহতসকলক হুবলিৰ কৰ্ণাটক চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছে।

ইপিনে, মহাৰাষ্ট্ৰৰ অহিল্যানগৰ জিলাত আজি পুৱা হোৱা আন এটা দুৰ্ঘটনাত তিনিজন লোক নিহত আৰু ৬ জন আহত হয়। আহতসকলক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। আৰক্ষীয়ে প্ৰকাশ কৰে মতে লোক কেইজনে এখন বিবাহত অংশ গ্ৰহণ কৰি ঘৰলৈ উভতি অহাৰ পথত এই দুৰ্ঘটনা সংঘটিত হয়।

00000000

পানীয় প্ৰস্তুতকাৰী কোম্পানী AB InBev ভাৰতৰ বিভিন্ন প্ৰান্তত পৰৱৰ্তী ২-৩ বছৰৰ ভিতৰত ২৫ কোটি ডলাৰ বিনিয়োগৰ কথা ঘোষণা কৰিছে বুলি খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰী ছিৰাগ পাছোৱানে প্ৰকাশ কৰিছে। চুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ বাৰ্ষিক বৈঠকত অংশ লোৱাৰ সময়তে কোম্পানীটোৰ সৈতে অনুষ্ঠিত আলোচনাৰ পাছত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে খাদ্য প্ৰসংস্কৰণ উদ্যোগৰ ক্ষেত্ৰখনত এয়া এটা ঐতিহাসিক পদক্ষেপ হিচাপে পৰিগণিত হৈছে।ইয়াৰ ফলত নিয়োগ সৃষ্টি আৰু অৰ্থনৈতিক বিকাশৰ নতুন অধ্যায়ৰ সূচনা হ'ব বুলি তেওঁ উল্লেখ কৰে। কোম্পানীটোৱে ভাৰতত বিনিয়োগৰ বাবে লোৱা এই সিদ্ধান্তই দেশখনত সুযোগ সুবিধাৰ বিকাশ আৰু আন্তঃৰাষ্ট্ৰীয় কোম্পানীসমূহে ভাৰতক আস্থাত ল'বলৈ আৰম্ভ কৰাৰ কথাটোকে প্ৰতিফলিত কৰে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে বিগত কিছু বছৰ ধৰি বিকাশ কৰা দেশৰ আন্তঃগাঁথনিয়ে ভাৰতৰ প্ৰতি বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ আস্থা বৃদ্ধি কৰিছে আৰু সেয়েহে আগশাৰীৰ আন্তঃৰাষ্ট্ৰীয় কোম্পানীসমূহ দেশখনত বিনিয়োগৰ প্ৰতি আগ্ৰহী হৈছে। শ্ৰীপাছোৱানে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নীতি প্ৰণয়নৰ ক্ষেত্ৰত অত্যন্ত স্পষ্ট হোৱা হেতুকে একেটা স্থানতে সকলো ধৰণৰ অনুমোদনৰ বাবে ছিংগল উইন্দো ক্লিয়াৰেঞ্চ ব্যৱস্থা আৰু ব্যৱসায়িক সুচলতাৰ বাবে বিভিন্ন পদক্ষেপ লোৱা হৈছে আৰু এনে পদক্ষেপে বিনিয়োগকাৰীসকলক উৎসাহিত কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে চি পি গোটৰ অধ্যক্ষ ক্ৰিছ চুপাকিজ চিয়েৰাভানন্তৰ সৈতে খাদ্য প্ৰসংস্কৰণ ক্ষেত্ৰৰ মূল্য সংযোজন সুযোগৰ বিষয়েও আলোচনা কৰে। ক'কা-ক'লা কোম্পানীৰ মুখ্য পৰিচালন বিষয়া হেনৰিক বাউনৰ সৈতেও তেওঁ মত বিনিময় কৰে। শ্ৰীপাছোৱানে কালি ডাভ'ছত ভাৰতীয় মণ্ডপ মুকলি কৰে।

00000000

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি ডাভোছত চুইজাৰলেণ্ডৰ ৰে'লৱেৰ প্ৰতিনিধিদলক সাক্ষাৎ কৰে। বৈঠকত তেওঁলোকে সুৰক্ষা প্ৰযুক্তি আৰু তদাৰক পদ্ধতিৰ বিষয়ে বিতংভাৱে আলোচনা কৰে।

ইয়াৰ পূৰ্বে শ্ৰী বৈষ্ণৱে চুইজাৰলেণ্ডৰ ছেইণ্ট মাৰ্গ্ৰেথেনত ষ্টেডলাৰ ৰে'লৰ দবা নিৰ্মাণ প্ৰকল্প পৰিদৰ্শন কৰে।

00000000

ডাভ'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ সন্মিলনৰ প্ৰথম দিনা মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাবিছৰ নেতৃত্বত ৰাজ্যখনৰ চৰকাৰে ৬ লাখ ২৫ হাজাৰ ৪৫৭ কোটি টকাৰ বিনিয়োগ চুক্তিত স্বাক্ষৰ কৰে। এদিনতে এই বৃহৎ পৰিমাণৰ বিনিয়োগ চুক্তিত স্বাক্ষৰ কৰি ৰাজ্যখনে অভিলেখ সৃষ্টি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কেইবাটাও আগশাৰীৰ কোম্পানীৰ শীৰ্ষ কাৰ্যবাহীসকলক সাক্ষাৎ কৰি তেওঁলোকক মহাৰাষ্ট্ৰত বিনিয়োগৰ বাবে আহ্বান জনায়। টাটা গোষ্ঠীৰ অধ্যক্ষ এন চন্দ্ৰশেখৰনৰ সৈতে হোৱা সাক্ষাৎকালত গোষ্ঠীটোৱে ৰাজ্যখনত ৩০ হাজাৰ কোটি টকাৰ বিনিয়োগ কৰিব বুলি ঘোষণা কৰে। শ্ৰীফাড়নাবিছে আন কেইবাটাও আগশাৰীৰ ব্যৱসায়িক গোষ্ঠীৰ প্ৰতিনিধিৰ সৈতেও মত বিনিময় কৰে।

00000000

উত্তৰ-পশ্চিম তুৰস্কৰ এখন হোটেলত কালি হোৱা অগ্নিকাণ্ডৰ ঘটনাত নিহত লোকৰ সংখ্যা ৭৬ লৈ আৰু আহতৰ সংখ্যা ৫১ লৈ বৃদ্ধি পাইছে। তুৰস্কৰ অভ্যন্তৰীণ সুৰক্ষা বিষয়ক মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি দেশখনৰ বলু প্ৰদেশৰ কাৰতালকায়া নামৰ ঠাইখনত থকা এই বিলাসী হোটেলখনত কালি পুৱতি নিশা প্ৰায় চাৰে ৩বজাত জুই লাগে। জুই লগাৰ কিছু সময়ৰ ভিতৰত হোটেল কৰ্তৃপক্ষই প্ৰায় ২০০ জন লোকক বাহিৰলৈ উলিয়াই আনিবলৈ সমৰ্থ হয়। ১২ মহলীয়া হোটেলখনলৈ শীতৰ বন্ধৰ সময়ত ভালেসংখ্যক পৰ্য্যটকৰ আগমণ হৈছিল। হোটেলখনৰ ওপৰ মহলাৰ পৰা জপিয়াই প্ৰাণ বচাবলৈ চেষ্টা কৰা দুজন লোকৰ থিতাতে মৃত্যু ঘটে। সংবাদ মাধ্যমসমূহৰ বাতৰি অনুসৰি, সতৰ্কতামূলক ব্যৱস্থা হিচাপে ওচৰৰ হোটেলসমূহৰ অতিথিসকলক আন সুৰক্ষিত ঠাইলৈ স্থানান্তৰ কৰা হৈছে। তুৰস্কৰ আইন মন্ত্ৰী উইলমাজ টংগে এই অগ্নিকাণ্ডৰ কাৰণ চালিজাৰি চাবলৈ ছজন শীৰ্ষ বিষয়াক লৈ এটা তদন্ত গোট গঠন কৰিছে।

oooooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি ২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি কলকাতাৰ ইডেন গাৰ্ডেনছত সন্ধিয়া ৭ বজাত খেলোৱা হব। অষ্ট্ৰেলিয়াত বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী শৃংখলাত পৰাজয়ৰ পিছত ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে পাঁচখন টি-২০ আৰু তিনিখন এদিনীয়া খেল খেলিব। প্ৰবীণ পেচ বলাৰ মহম্মদ শ্বামীৰ দীৰ্ঘদিনৰ বিৰতিৰ পাছত ভাৰতীয় দললৈ প্ৰত্যাবৰ্তন ঘটিছে। সূৰ্য্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটোৱে ২ ফেব্ৰুৱাৰীত মুম্বাইত চূড়ান্ত টি-২০ খেলত ভাগ লব। টি-২০ শৃংখলাৰ পিছত ৬ ফেব্ৰুৱাৰীৰ পৰা দুয়োখন দেশৰ মাজত এদিনীয়া শৃংখলা অনুষ্ঠিত হব।

oooooooo

জাকাৰ্টাত চলি থকা ইণ্ডোনেছিয়া মাষ্টাৰ্ছ চুপাৰ 500 বেডমিণ্টন প্ৰতিযোগিতাৰ আজি মহিলাৰ ছিংগলছত ভাৰতৰ প্ৰবীণ শ্বাটলাৰ পি ভি সিন্ধু ভিয়েটনামৰ টি এল নগুয়েনৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময়মতে আবেলি ৪ বাজি ৪০ মিনিটত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ আন এখন খেলত ভাৰতৰ লক্ষ্য সেন জাপানৰ টাকুমা ওবায়াচীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বাজি ১০ মিনিটত আৰম্ভ হ'ব। ইপিনে, পুৰুষৰ ছিংগলছত আজি কিৰণ জৰ্জ প্ৰথম ৰাউণ্ডত কোৰিয়াৰ জিয়ন হাইয়ক-জিনৰ হাতত ২১-১২, ২১-১০ গেমত পৰাজিত হয়।

oooooooo

সমাপ্ত